পাঠ :১৫

# চোৰধৰা - শ্ৰী শ্ৰী মাধৱদেৱ

---

১/ চমু প্ৰশ্নৰ উত্তৰ :

(ক) কইনা বুলি কাৰ কথা কোৱা হৈছে?

উত্তৰঃ কইনা বুলি শিশু কৃষ্ণৰ  কথা কোৱা হৈছে ।

(খ) লৱণু চোৰ কৃষ্ণই গোপীৰ মুখত কি সানি দিছিল?

উত্তৰঃ লৱণু চোৰ কৃষ্ণই গোপীৰ মুখত মাখন  সানি দিছিল ।

(গ) মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ কি?

উত্তৰঃ মাধৱদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হ'ল- নামঘোষা ।

২/ চমু প্ৰশ্ন উত্তৰ:

(ক) 'ওহি- বান্দীসৱক থানে আৱৰ আৱব নাহি' আৱব নাহি বুলি কাক কোনে কৈছিল?

উত্তৰঃ 'ওহি- বান্দীসৱক থানে আৱৰ আৱব নাহি' আৱব নাহি বুলি যশোদাই শিশু কৃষ্ণক কৈছিল ।

(খ) হে মাই যশোদা,তোহে তাপ তেজহ - যশোদাৰ মনৰ তাপ গুচাবলৈ গোপীয়ে কিয় ক'বলগা হৈছিল?

উত্তৰঃ শিশু কৃষ্ণক ক'তো বিচাৰি নাপাই যশোদা বাউলি হৈ পৰিল । বহুত দেৰিলৈকে কৃষ্ণ ঘৰলৈ ঘূৰি নহাত যশোদাৰ মন চিন্তিত হৈ পৰিল । সেয়েহে বাটে বাটে তেওঁ কৃষ্ণক বিচাৰি ফুৰিছিল । গোপীয়ে কৃষ্ণই গোৱালী পাৰাত মাখন খাই গোপীৰ লগত কৰা চতুৰী দেখি আহিছিল সেয়েহে তেওঁ যশোদাক মনৰ তাপ গুচাবলৈ কৈছিল ।

(ঘ) শ্ৰীকৃষ্ণই গোপীৰ মুখত কিয় লৱণু সানি দিছিল?

উত্তৰঃ গোপীৰ ঘৰত সোমাই শ্ৰীকৃষ্ণই লৱণু চুৰ কৰি থাকোতেই গোপীয়ে তেওঁক হাতে-নাতে ধৰি তাৰ মুখত লৱণু সানি দিছিল।

৩/ দীঘল প্ৰশ্নোত্তৰ:

(ক) 'ইহা শুনি চিন্তা- শোক তেজীয়ে পৰম হৰষিত ভেল।' কোনে কাৰ আৰু কি কথা শুনি হৰষিত হৈছিল?

উত্তৰঃ মাতৃ যশোদাই গোপীৰ মুখত কৃষ্ণই গোৱালীৰ পাৰাত কৰা চাতুৰীৰ কথা শুনি হৰষিত হৈছে।

পুৱাতে ওলাই গৈ বহুত সময়লৈকে কৃষ্ণ ঘৰলৈ ঘূৰি নহাত যশোদা চিন্তাত কাতৰ হৈ বাটে বাটে কৃষ্ণক গ'ল। বাটতে বুঢ়ী গোপী এগৰাকীয়ে যশোদাক চিন্তা এৰিবলৈ কৈ গোৱালী পাৰত কৃষ্ণই গোপীৰ লগত কৰা ধেমালিৰ কথা ক'লে। কৃষ্ণই গোপীৰ ঘৰত মাখন খাই ধৰা পৰাত ওলোটা গোপীক চোৰ সজালে। নিজৰ হাতৰ মাখন গোপীৰ মুখত সানি দি পাৰাৰ গোপীসকলৰ ওচৰত গোপীয়েই মাখন চোৰ কৰাৰ প্ৰমাণ দিলে।কৃষ্ণক কথাৰে বলে নোৱাৰি আঁতৰি যাব খোজা গোপীসকলক আচলত ধৰি টানি কৃষ্ণই মাখন খুজিবলৈ ধৰিলে। গোপীসকলেও কৃষ্ণক নাচিবলৈ দিলে। নাচি নাচি কৃষ্ণই গোপীসকলকো আনন্দ দিলে আৰু নিজেও আনন্দ মনে মাখন খালে। এইদৰে কৃষ্ণৰ বাতৰি দি গোপীৰে পৰম কৃপালোঁ কৃষ্ণৰ গুণ বৰ্ণনা কৰিবলৈ ধৰিলে। গোপীয়ে সেই কথাবোৰ শুনি যশোদাই হৰষিত হৈছিল।

(খ) মাক যশোদাই কণাইক লগ পাই কি কি কথা কৈছিল আৰু কিদৰে স্নেহ প্ৰকাশ কৰিছিল?

উত্তৰঃ যশোদাই কৃষ্ণক লগ পাই তেওঁ কোলাত তুলি ল'লে। কৃষ্ণইও মাকৰ কোলাত উঠি গোপীসকলৰ বিৰুদ্ধে লগাবলৈ ধৰিলে। তেতিয়া যশোদাই ঢাণ্ডী দাসীৰো দাসী বুলি গালি পাৰি ক'লে যে তেওঁলোকে বালক কৃষ্ণক চোৰ বুলি কলংক কৰিছে। ছি: তেওঁলোকৰ মুখত ছাই পৰক। তাৰ পিছত যশোদাই কৃষ্ণক কবিলৈ ধৰিলে যে তেওঁ আৰু বান্ধি গোৱালিবিলাকৰ ঠাইত যাতে নাযায়। যশোদাৰ ঘৰত দধি,দুগ্ধ,লৱণু কৃষ্ণই ইমান খাব খোজে সিমান যশোদাই দিব পাৰে। তেওঁ কৃষ্ণৰ সকলো বিপদ মূৰ পাতি ল'ব। কৃষ্ণ তেওঁৰ কৌটি পুৰুষৰ দেৱৰো পৰম দেৱতা,মাথাৰ মুকুট,ডিঙিৰ সাতসৰি,বুকুৰ শীতল চন্দন।

এইদৰে বিভিন্ন কথা কৈ নিজৰ আচলেৰে কৃষ্ণৰ গাৰ ধূলি জোকাৰি,বুকুত বান্ধি কোলাত লৈ মুখত চুমা খাই পৰম আনন্দেৰে ঘৰলৈ আনি শীতল পানীৰে গা ধুৱাই পঞ্চামৃত ভোজন কৰালে। সুগন্ধি চন্দন,দিব্য বস্ত্ৰ অলংকাৰেৰে ভূষিত কৰাই,কৃষ্ণৰ সুন্দৰ মুখখনি চাই মুক্তিতকৈও অধিক আনন্দ লাভ কৰি পৰম সন্তোষেৰে থাকিল।

**ভাষা বিষয়ক :**

১/ আধুনিক ৰূপ

| | | |
|---|---|---|
| উত্তৰঃ তেজহ | - | ত্যাগ |
| তোহাৰি | - | তোমাৰ |
| হামু | - | মই |
| থিক | - | আছে |
| মাখিয়ে | - | সানি |
| উনিকৰ | - | এওঁৰ |
| ফিৰত | - | গুৰি-ফুৰা |
| গাৰি | - | গালি |

২/ বিপৰীত শব্দ

| | | |
|---|---|---|
| উত্তৰঃ চোৰ | - | সাধু |
| উত্তৰ | - | প্ৰশ্ন |
| কাতৰ | - | অকাতৰ |
| পূণ্য | - | পাপ |
| শোক | - | আনন্দ |
| হৰ্ষ | - | বিষাদ |
| শীতল | - | উষ্ণ |